# ADMISSION AWARENESS PROGRAMME

## ORGANISED BY KKHSOU IN COLABORATION WITH KKHSOU, STUDY CENTRE, SARAIGHAT COLLEGE ON 18TH SEPTEMBER, 2024


# দৈনিক জনমভূমি

আজিৰ দিনটো
- ১৫৮১ত চতুৰ্থ
- ১৯৩৬ত বিশিষ্ট
- ১৯৬০ত ভাৰত-
- ১৯৩৮ত গোপী

, চতুৰ্বিংশ বছৰ, সংখ্যা ১৮৩ ● বৃহস্পতিবাৰ ● ২ আহিন ● ১৯৪৬ শক ● DAINIK JANAMBHUMI ● Guwahati ● Thursday ● September 19, 2024


## শৰাইঘাট মহাবিঃত নামভৰ্তি সজাগতা সম্পৰ্কত সভা



**মহানগৰ ব্যুৰ', ১৮ ছেপ্টেম্বৰ ঃ** চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উদ্যোগত তথা শৰাইঘাট মহাবিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ সহযোগত নামভৰ্তি সজাগতা সম্পৰ্কত এখন সভা অনুষ্ঠিত হয়। সমন্বয়ক হেমেন কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু অধ্যক্ষ ড° মণি শৰ্মাই আঁত ধৰা সভাত উপ- পঞ্জীয়ক প্ৰাণজিৎ বৰাই নিজৰ বক্তব্যত কয় যে শিক্ষাৰ্থীসকলক একে সময়তে দুটা ডিগ্ৰী প্ৰদানৰ দিশত মুক্ত বিশ্ববিদ্যালয়ে যথেষ্ট অগ্ৰণী ভূমিকা আগবঢ়াই আহিছে। এইক্ষেত্ৰত শিক্ষাৰ্থীসকলে নিৰ্ধাৰিত মাচুলৰ আধা অংশ আদায় দি পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব পাৰে। সহকাৰী পঞ্জীয়ক বিৰিঞ্চি কুমাৰ বৰাই কয় যে আধুনিক শিক্ষা ব্যৱস্থা তথা নতুন শিক্ষা নীতিত মুক্ত বিশ্ববিদ্যালয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আসনৰ কোনো অসুবিধা নথকা ইয়াত গৃহিণী, বোৱাৰী, চৰকাৰী-বে চৰকাৰী কৰ্মচাৰী, বিভিন্ন অসুবিধাৰ বাবে ডিগ্ৰী সম্পূৰ্ণ কৰিব নোৱৰা সকলোৱেই এই সুবিধা গ্ৰহণ কৰি ডিগ্ৰী লৈ কৰ্মসংস্থাপন লাভ কৰিব পাৰে বা প্ৰমোশ্যন লাভ কৰিব পাৰে। লগতে তেওঁ মুক্ত বিশ্ববিদ্যালয়ৰ ডিগ্ৰী আৰু অন্য বিশ্ববিদ্যালয়ৰ পৰা গ্ৰহণ কৰা ডিগ্ৰীৰ কোনো পাৰ্থক্য নাই বুলি উল্লেখ কৰে। শেষত সমন্বয়ক হেমেন কলিতাই শলাগৰ শৰাই আগবঢ়ায়। সভাখনত মহাবিদ্যালয়ৰ স্নাতক প্ৰথম ষান্মাসিকৰ পৰা পঞ্চম ষান্মাসিকলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিৰ লগতে অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকি সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## গাৰ্গ্য মহিন্দ্ৰাত নতুন থাৰ ৰক্স মুকলি

**মহানগৰ ব্যুৰ', ১৮ ছেপ্টেম্বৰ ঃ** ভৰলুমুখৰ এ টি ৰ'ডস্থিত গাৰ্গ্য মহিন্দ্ৰাৰ শ্ব'ৰুমত আজি অসম আৰক্ষীৰ আই জি পি, আই পি এছ পাৰ্থ সাৰথি মহন্তই সম্পূৰ্ণ নতুন মহিন্দ্ৰা থাৰ ৰক্স মুকলি কৰে। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি গাৰ্গ্য মহিন্দ্ৰাৰ পৰিচালন সঞ্চালক ৰাহুল দেৱ শৰ্মাই কয় যে থাৰৰ অৰ্থ হ'ল কঠোৰতা, শক্তি, দক্ষতা, প্ৰদৰ্শন, শৈলী আৰু আভা। মহিন্দ্ৰা গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ আৰ এছ এম ভাৰত ছাইনীয়ে উল্লেখ কৰে যে গ্ৰাহকৰ সঁহাৰিত তেওঁলোক আপ্লুত হৈছে আৰু দেশৰ অন্যান্য ডিলাৰশ্বিপৰ দৰেই গাৰ্গ্য মহিন্দ্ৰাতো থাৰ ৰক্সৰ বিষয়ে জানিবলৈ তথা অৰ্ডাৰ দিবলৈ গ্ৰাহকৰ ভিৰ বৃদ্ধি পাইছে। বাহনখন মুকলি কৰি আই পি এছ মহন্তই ভাষণত আৰক্ষী বাহিনী আৰু মহিন্দ্ৰা থাৰৰ বিশেষ সম্পৰ্কৰ বিষয়ে জানিবলৈ দি যোৱা কেইবা দশক ধৰি ইয়াক বাহিনীসমূহে ব্যাপকভাৱে ব্যৱহাৰ কৰি আহিছে আৰু তেওঁলোকৰ অন্যতম প্ৰিয় কৰ্ম ঘোঁৰা হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰে।